DAILY ASSAM

## ১৬। শব্দ-বিভক্তি
## (Case-endings)

**১৬ : ১** মনৰ ভাব প্ৰকাশ কৰিবলৈ বাক্য ব্যৱহাৰ কৰোঁতে সেই বাক্যৰ ক্ৰিয়াৰ লগত আন আন শব্দৰ পাৰস্পৰিক সংগতি বা সম্বন্ধ ৰাখি প্ৰাতিপদিকৰ পিছত কিছুমান চিন (বৰ্ণ বা বৰ্ণ সমষ্টি) যোগ কৰি পদ কৰা হয়। সেই চিনবোৰকেই শব্দ-বিভক্তি বোলে।

**১৬ : ২** বাক্যত হোৱা পদৰ পাৰস্পৰিক সম্বন্ধ দুই প্ৰকাৰে বুজোৱা হয়। (ক) কিছুমান সুকীয়া অনুসৰ্গ (Post-positions) ব্যৱহাৰ কৰি আৰু (খ) সংস্কৃত ভাষাৰ কাৰণ, অধিকৰণ আদিত ব্যৱহাৰ হোৱাৰ দৰে অসমীয়াত নৈকে উত্তৰ হোৱা কাৰক বিভক্তিৰ (Agglutinating case-endings) দ্বাৰা। অন্যান্য অশ্লিষ্ট ভাষা অৰ্থাৎ মূলৰপৰা সহজে বিভক্তি প্ৰত্যয় ভাগ ভাগ কৰি উলিয়াব পৰা ভাষাৰ দৰে অসমীয়াতো বিভক্তিৰ চিনবোৰ মূল প্ৰাতিপদিকৰ লগত জোৰাই থয় মাথোঁ আৰু সেইবোৰ সহজে পৃথক কৰিব পাৰি।

**১৬ : ৩** ক্ৰিয়াৰ লগত সংগতি ৰাখি বা শব্দই শব্দই সম্বন্ধ ৰাখি শব্দ বাক্যত পদ হৈ ব্যৱহাৰ হওঁতে সাত বিধ* শব্দ বিভক্তি ব্যৱহাৰ হয়। যথা,

প্ৰথমা বিভক্তি— এ (ই)
দ্বিতীয় বিভক্তি— ক,
তৃতীয় বিভক্তি— এৰে, এদি, (দ্বাৰা, দ্বাৰাই),
চতুৰ্থী বিভক্তি— লৈ,
পঞ্চমী বিভক্তি— ৰ (পৰা),
ষষ্ঠী বিভক্তি— ৰ,
সপ্তমী বিভক্তি— ত, এ (পদ্যত পুৰণি অসমীয়াত)।

**১৬ : ৪** একবচন আৰু বহুবচনত একে বিভক্তি যোগ কৰা হয়। কেৱল বহুবচনত শব্দৰ পিছত বহুবচনবোধক অনুসৰ্গ (Plural Post-positions) যোগ কৰিহে বিভক্তিবোৰ যোগ কৰা হয়। তেনেকৈ অসমীয়াত লিংগভেদে বিভক্তি বিভিন্ন নহয়। সকলো লিংগত একে বিভক্তিয়েই ব্যৱহাৰ হয়।

---

* প্ৰকৃতাৰ্থত অসমীয়াত বিভক্তি চাৰিবিধহে; যেনে,

এ (ই), ক, ৰ, আৰু ত; ভাষাৰ ক্ৰমবিকাশত সহজীকৰণ কৰাৰ ফলত সংস্কৃত বা প্ৰাচীন আৰ্য ভাষাৰ প্ৰথমা আৰু তৃতীয়া একে হৈ পৰে; তেনেকৈ দ্বিতীয়া আৰু চতুৰ্থী একে হয়; পঞ্চমী আৰু ষষ্ঠী একে আৰু সপ্তমী বিভক্তি। কিন্তু কাৰকৰ বিভিন্নতা বুজিবলৈ এই চাৰিবিধ বিভক্তিৰ লগত কাৰক অনুযায়ী কিছুমান বিশিষ্ট অনুসৰ্গ (Post-positions) ব্যৱহাৰ কৰা হয়। অসমীয়াত কাৰক অনুযায়ী সাত বিধ বিভক্তি হিচাপে আলোচনা কৰা হৈছে।

১৬ : ৫ ই, ঈ, এ, ঐ-কাৰান্ত শব্দ পিছত, এ, ই, এদি, এৰে বিভক্তি যোগ কৰিলে য়-শ্ৰুতি (Glide) আগম হয়। যথা,

হৰি + এ = হৰিয়ে, মাদৈ + এ = মাদৈয়ে ইত্যাদি।

১৬ : ৬ উ, ঊ, ও, ঐ-কাৰান্ত শব্দৰ পিছত, এ, এদি, এৰে বিভক্তি থাকিলে ৱ-শ্ৰুতি আগম হয়। যথা,

মধু + এ = মধুৱে, কপৌ + এ = কপৌৱে, ভদো + এ = ভদোৱে। ইত্যাদি।

১৬ : ৭ ষষ্ঠী 'ৰ' বিভক্তি শব্দত যোগ হোৱাৰ পিছতহে তৃতীয়বাৰ 'দ্বাৰা' বা 'দ্বাৰাই' আৰু পঞ্চমীৰ 'পৰা' যোগ হয়। যথা,

ৰামৰদ্বাৰা (বা দ্বাৰাই), ৰামৰপৰা ইত্যাদি।

১৬ : ৮ প্ৰকৃততে তৃতীয়া 'দি', 'দ্বাৰা', 'দ্বাৰাই', চতুৰ্থী 'লৈ' পঞ্চমী 'পৰা', অনুসৰ্গহে (Post-positions)। এই অনুসৰ্গই অন্য বিভক্তিৰ সহযোগত বিভিন্ন কাৰকৰ ভাব জগাই তোলে।

১৬ : ৯ একাধিক নাম শব্দ থাকিলে শেষৰ নাম শব্দৰ পিছতহে কাৰকৰ বিভক্তি যোগ কৰা হয়। যথা,

ৰীণা, বীণা, সেউতী আৰু মালতীক মাতাঁ। বীণা আৰু মীনাৰ মাক। কিন্তু সম্বন্ধ পদৰ প্ৰত্যেকৰে অধিকাৰ বেলেগ হ'লে প্ৰত্যেকটি নামৰ শব্দৰ পিছত বহে। যথা,

সেউতী আৰু মালতীৰ পিতাক আহিছে। (উভয়ৰ একেজন পিতাক) কিন্তু বীণাৰ আৰু ৰীণাৰ দেউতাক আহিছে। (উভয়ৰ পিতাক বেলেগ ব্যক্তি।

১৬ : ১০ বাক্যত ব্যৱহাৰ হোৱা বিভিন্ন পদৰ কাৰক অনুযায়ী বিভক্তিবোৰ যোগ হয়। (কাৰক আৰু বিভক্তি নিৰ্ণয় চোৱাঁ)।

## অসমীয়া কাৰক-বিভক্তি : মূল আৰু ব্যৱহাৰ পদ্ধতি

### প্ৰথমা বিভক্তি

### (এ, ই)

১৬ : ১১ কৰ্তাকাৰকত প্ৰথমা বিভক্তি হয়। প্ৰথমা এ বিভক্তি অসমীয়াৰ বৈশিষ্ট্যপূৰ্ণ বিভক্তি। আ-কাৰান্ত শব্দৰ পিছত এ বিভক্তিৰ ঠাইত 'ই' যোগ হয়। যথা,

শিখা + এ = শিখাই, ৰমা + এ = ৰমাই ইত্যাদি।

আধুনিক অসমীয়াত এ বিভক্তিয়ে ধ্বনিগত পৰিৱৰ্তনৰ ফলত ই-লৈ পৰিৱৰ্তিত হৈছে। পুৰণি অসমীয়াত বিশেষকৈ বুৰঞ্জী সাহিত্যত আ-কাৰান্ত শব্দৰ পিছতো এ ব্যৱহাৰ হোৱা দেখা যায়। যথা,

কন্যাএ (আধুনিক কন্যাই), মহাৰাজাএ (আধু, মহাৰাজাই) ইত্যাদি।

১৬ : ১২ কিছুমান অকৰ্মক ক্ৰিয়াৰ কৰ্তাত প্ৰথমা বিভক্তি লোপ পায়। যথা,

মধু আহিল। তিৰুৎ সিং মৰিল। ৰাম গ'ল। ইত্যাদি। কিন্তু হাঁহ্, কান্দ্, নাচ্, কাঁহ, হাঁচ্, শো, ওমল্ আদি অকৰ্মক ক্ৰিয়াৰ কৰ্তাত প্ৰথমা এ বিভক্তি যোগ হয়। যথা,

টেৰণে হাঁহে বা কান্দে। সিহঁতে নাচে। মধুৱে ওমলে।

১৬ ঃ ১৩ ই, ঈ, ঐ-কাৰান্ত শব্দৰ পিছত এ যোগ হ'লে য়-শ্ৰুতি (Glide) আগম হয় আৰু উ, ঊ, ঔ-কাৰান্ত শব্দৰ পিছত এ যোগ হ'লে ৱ-শ্ৰুতি (Glide) আগম হয়। যথা,

হৰি + এ = হৰিয়ে        মধু + এ = মধুৱে

শশী + এ = শশীয়ে,        শাহু + এ = শাহুৱে

বাঢ়ৈ + এ = বাঢ়ৈয়ে        কপৌ + এ = কপৌৱে।

১৬ ঃ ১৪ নিম্নলিখিত কাৰণবশতঃ প্ৰথমা বিভক্তি হ'লেও বিভক্তিৰ চিন লোপ পায়।

১। কৰ্মবাচ্যৰ বাক্যত কৰ্মত প্ৰথমা বিভক্তি হয়। যথা, তাৰ ভাত খোৱা হৈছে।

২। সম্বোধন পদত প্ৰথমা বিভক্তি হয়। যথা, হে ৰাম! হে যদু! ইত্যাদি।

৩। কোনো নাম শব্দ উক্ত বা অভিহিত হ'লে প্ৰথমা বিভক্তি যোগ হয়। যথা,

চন্দ্ৰ, নাথ, হাতী, নদী, সোণ ইত্যাদি।

৪। তুলনাত্মক অব্যয় যেনে, সদৃশ, তুল্য আদিৰ যোগত প্ৰথমা বিভক্তি হয়। যথা,

জোন যেন মুখ। শিল হেন কঠিন। বজ্ৰ যেন কঠোৰ। সাগৰ সংকাশ বিদ্যা। পৰমাণু প্ৰায় জীৱ। ইত্যাদি।

৫। ধিক, ধন্য অব্যয় আগত বহিলে শব্দত প্ৰথমা বিভক্তি হয়। যথা ধিক্ ৰাম! ধন্য লক্ষ্মণ। ধন্য তোমাৰ ভ্ৰাতৃ ভক্তি। কিন্তু পদৰ পিছত বহিলে দ্বিতীয়া বিভক্তি হয়। যথা, ৰামক ধন্য। তোমাক ধিক্ ইত্যাদি।

৬। আদি, প্ৰভৃতি, অনুসৰি, নামে, নামেৰে, বুলি আদি শব্দ যোগত প্ৰথমা বিভক্তি হয়। যথা,

যদু, মধু, ৰাম আদি ছাত্ৰসকলে এনে কাম কৰিছে। তাক মানুহ বুলি জ্ঞান কৰা নাযায়। চৌথাম নামে (নামেৰে) বিজ্ঞলোক এজন আছিল। সভাত অসমৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী প্ৰভৃতি সকলো মন্ত্ৰী উপস্থিত আছিল। তেওঁৰ মত অনুসাৰে (অনুসৰি) আমি চলিব নোৱাৰোঁ।

---

কৰ্তাকাৰকৰ এ বিভক্তি দুই প্ৰকাৰে অসমীয়াত সোমাইছে। (ক) প্ৰকৃত কৰ্তাৰ ১মা বিভক্তি অৰ্থাৎ মূল সংস্কৃতৰ প্ৰথমা বিভক্তি। মাগধী প্ৰাকৃতত কৰ্তাকাৰকত এ বিভক্তি (এষঃ পুৰুষঃ > এশে পুলিশে > এই পুৰুষে) হোৱা লক্ষণ অসমীয়াত সোমাই পৰিছে। (খ) কৰণৰ তৃতীয়া বিভক্তিৰপৰা উদ্ভৱ হোৱা এ বিভিন্ন সংস্কৃতত কৰ্মবাচ্য বা কৃদন্ত যোগত কৰ্তাকাৰকত তৃতীয় বিভক্তি হয়, সেই তৃতীয়া বিভক্তি এন (তৃতীয়া একবচন) পৰিবৰ্তিত হৈ 'এ' →এঁ হৈছে। যথা, ৰামেন কৃতম্ → ৰামে কৰা, বাণেন হানিত + ইল্ল > বাণে হানিলে; হস্তেন কৃতম্ > হাতে কৰা ইত্যাদি।

১৬ : ১৫ পাৰস্পৰিক একে কাৰ্য সম্পাদন কৰিলে উভয় শব্দত প্ৰথমা বিভক্তি হয়। যথা,

গৰুৱে ম'হে যুদ্ধ। হাতীয়ে ঘোঁৰাই আগমন। পণ্ডিতে পণ্ডিতে তৰ্ক। মানুহে মানুহে মৰামৰি। ল'ৰাই ল'ৰাই কাজিয়া ইত্যাদি।

## দ্বিতীয়া বিভক্তি

### (ক)

১৬ : ১৬ সংস্কৃত দ্বিতীয়া বিভক্তিৰ চিন অসমীয়াত লোপ পাইছে। অপভ্ৰংশ স্তৰত কৰ্মকাৰক আৰু সম্প্ৰদান একে হৈ পৰাৰ দৰে অসমীয়াতো এক হৈ পৰিছে।

(ক) কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি হয়। প্ৰাচীন অসমীয়াৰেপৰা আধুনিক অসমীয়ালৈ কৰ্ম কাৰকত কোনো বিভক্তি যোগ নোহোৱাকৈ চলি আহিছে, অৰ্থাৎ ২য়া বিভক্তি লোপ পায়।

চৰ্যাপদ— গুৰু পুচ্চিঅ জান। (গুৰুক সুধি জান), গুৰু পদৰ ২য়া বিভক্তি লোপ পাইছে।

প্ৰা, অস, কেনে মাটি খালি অৰে গোপাল। (শংকৰদেৱ)

আধুনিক অসমীয়াত অপ্ৰাণীবাচক কৰ্মত ২য়া বিভক্তি লোপ পায়। যথা,

ভাত খাওঁ (ভাতক খাওঁ নহয়)। তেনেকৈ কিতাপ পঢ়ে। ধান বানে ইত্যাদি।

(খ) কিন্তু প্ৰাণীবাচক হ'লে কৰ্মত দ্বিতীয়া বিভক্তি ব্যৱহাৰ হয়। যথা,

মোক মাৰে। তাইক ভাল পাওঁ। মানুহক হিংসা নকৰিবাঁ ইত্যাদি।

(গ) অসমীয়াত সম্প্ৰদান অৰ্থতো অৰ্থাৎ কাৰোবাৰ প্ৰতি কিবা দান কৰি দিলেও দ্বিতীয়া বিভক্তি ব্যৱহাৰ হয়। যথা,

মগনীয়াক চাউল দিছে। কিন্তু সংস্কৃত ভাষাত ৪ৰ্থী বিভক্তিহে হয়। নিমিত্ত উদ্দেশ্য বুজালেও বিকল্পে দ্বিতীয়া বিভক্তি হয়। যথা,

দুখীয়াক দয়া, ঘৰক (ঘৰলৈ) যায় ইত্যাদি।

১৬ : ১৭ জোৰ (Emphasis) বুজাবলৈ কৰ্মকাৰক বিভক্তিৰ পিছত এ যোগ কৰি কে কৰা হয়। যথা,

---

সম্ভৱতঃ সংস্কৃত কৃত শব্দৰপৰা নাইবা প্ৰাকৃত ক্ক প্ৰত্যয়ৰপৰা কৰ্ম কাৰক ৰ ব্ৰজাবলীৰ সম্বন্ধ পদৰ ক বিভক্তি উদ্ভৱ হৈছে।

কৃতম্ > কঅ > ক (অস, ২ য়া, ৪ ৰ্থী আৰু ব্ৰজাবলী ষষ্ঠীৰ চিন)

মধ্য ভাৰতীয় আৰ্য ভাষা ক্ক > ক

কিন্তু কালিৰাম মেধিয়ে বৈদিক অব্যয় কম্ শব্দৰপৰা, Jone Beames-এ কিম্ শব্দৰ দ্বিতীয়া এক বচনৰ কম্ শব্দৰপৰা আৰু Hornle -এ কক্ষ শব্দৰপৰা উদ্ভৱ হোৱা বুলি উল্লেখ কৰিছে)।

তাকে কৰা। মোক দিয়া। কিতাপকে পঢ়া ইত্যাদি।

১৬ ঃ ১৮ ধন্য, ধিক্ শব্দ কোনো শব্দৰ পিছত বহিলে ২য়া বিভক্তি হয়। যথা,

চোৰক ধিক্, জ্ঞানীক ধন্য, তাৰ সাহসকো ধন্য, মন্ত্ৰীৰ ভীৰুতাকো ধিক্ ইত্যাদি।

## তৃতীয়া বিভক্তি

### (এ, ৰে, দি, দ্বাৰা, দ্বাৰাই)

১৬ ঃ ১৯ কৰণ কাৰকত তৃতীয়া বিভক্তি হয়। যথা,

হাতে, হাতেৰে, হাতেদি।

(ক) কৃদন্ত শব্দ যোগত কৰ্তাত তৃতীয়া বিভক্তি হয়। তেতিয়া কৰ্ম বাচ্যৰ (Passive) ভাব জগাই তোলে। অসমীয়াত এনেকৈ কৰ্ম বাচ্যত এ যোগ হ'লে ১মা বিভক্তি যোগ হোৱা বুলি ধৰা হয়। যেনে, মই কৰা কাম—(ময়া কৃত কৰ্ম)। তেনেকৈ, বাঘে ধৰা (বাঘেন ধৃত) (ধৰ্ + আ), হাতে কৰা (হস্তেন কৃত) (কৰ্ + আ) ইত্যাদি।

(খ) সংজ্ঞা বা বিশেষণ শব্দৰপৰা এ যোগত কেতিয়াবা ক্ৰিয়া বিশেষণ কৰা হয়। যথা,

—বেগে (বেগেৰে), অনায়াসে, লাহে লাহে।

(গ) সৈতে শব্দৰ যোগত শব্দৰ পিছত এ যোগ কৰা হয়। যথা, ৰামে সৈতে, কলমে সৈতে, মূৰ্তিয়ে সৈতে ইত্যাদি।

(ঘ) কেতিয়াবা অপাদান অৰ্থত এ বিভক্তি যোগ হয়। যথা, তাৰ মুখে বা মুখেদি (বা মুখৰপৰা) শুনিলে, তাৰ হাতেদি, হাতে পালো (হাতৰপৰা)।

১৬ ঃ ২০ দা ধাতুৰপৰা অসমাপিকা ক্ৰিয়া দি (পু, অস, দিয়া) উদ্ভৱ হৈছে। এ বিভক্তিৰ পিছত দি অনুসৰ্গ হিচাপে ব্যৱহাৰ কৰি কৰণৰ অৰ্থ প্ৰকাশ কৰা হয়। যথা,

হাত + এ + দি = হাতেদি। তেনেকৈ, মুখ + এ + দি = মুখেদি।

গুৱাহাটীয়েদি বাহিৰলৈ নগ'লে উপায় নাই। নদীৰ তলেদি প্ৰবল সোঁত আছে।

১৬ ঃ ২১ তৃতীয়া বিভক্তিৰ চিন এ ধ্বনিগত পৰিৱৰ্তন হৈ পুৰণি অসমীয়াতেই 'ই' ৰূপে ব্যৱহাৰ হোৱা দেখা যায়। যথা,

---

সংস্কৃত তৃতীয়া একবচনত 'এন' ৰূপৰপৰা অসমীয়াত এ উদ্ভৱ হৈছে।

(সং, এন > প্ৰা, এন, এম্ > অপ, এঁ = স, এ)

সংস্কৃত হস্তেন শব্দ অসমীয়াত হাতে হৈছে; তেনেকৈ, ৰামেন— ৰামে, ভক্তেন- - ভাতে হৈছে।

বাচা, ৰহ, তোক হাতে নামাৰি ভাতে মাৰিম। ইয়াত হাতে আৰু ভাতে শব্দ দুটাত তৃতীয়া বিভক্তি যোগ হৈছে।

তাৰিলা লীলাই (শংকৰদেৱ)

ঘোড়ায় সহিতে।

**১৬ : ২২** ষষ্ঠী বিভক্তিৰ পিছত অনুসৰ্গৰূপে দ্বাৰ (উপায়, দুৱাৰ) ব্যৱহাৰ কৰা হয়। দ্বাৰ শব্দৰ লগত স্বাৰ্থিক আ. যোগ কৰি দ্বাৰা কৰণ বোধক অনুসৰ্গ সৃষ্টি কৰা হয়। আকৌ দ্বাৰা শব্দৰ পিছত এ যোগ কৰি দ্বাৰএ- দ্বাৰাই, (ধ্বনিগত পৰিৱৰ্তনৰ ফলত) উদ্ভৱ হৈছে। যথা,

ৰামৰদ্বাৰা, দ্বাৰাই।

প্ৰাচীন অসমীয়াত— "চৈতন্য শক্তিৰ দ্বাৰে ইতো জড় জগতক
ৰমাৰন্ত কৰ্ম অনুসৰে।"

**১৬ : ২৩** দ্বাৰ শব্দ অনুসৰ্গ ৰূপে (Post-position) ব্যৱহাৰ হোৱাৰ দৰে আধুনিক অসমীয়াত হস্ত-হাত শব্দকো অনুসৰ্গ ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিছে।

হাত + উৱা + ই (জোৰ বুজোৱা) = হাত + উৱাই = হতুৱাই। যথা,

তাৰ হতুৱাই, ৰামৰ হতুৱাই, ছাত্ৰৰ হতুৱাই ইত্যাদি।

**১৬ : ২৪** (ক) কৰ্ম বাচ্যৰ বাক্যৰ কৰ্তাত তৃতীয়া বিভক্তি হয়। যথা,

তাৰদ্বাৰা কামটো কৰা হ'ল।

(খ) যি লক্ষণৰদ্বাৰা কোনো এজনক চিনিব পাৰি, সেই লক্ষণ বুজোৱা শব্দৰ পিছত তৃতীয়া বিভক্তি হয়। যথা,

তেল্‌তেলীয়া চকুৰে মানুহজন বৰ ভয় লগা।

তপামূৰেৰে মানুহজন এজন অভিনেতা।

(গ) ক্ৰিয়া বিশেষণত কেতিয়াবা তৃতীয়া বিভক্তি ব্যৱহাৰ হয়। যথা,

বেগে বা বেগেৰে গৈ থাকিলেহে ভাল। সুখে বা সুখেৰে চলিছে। যত্নেৰে পঢ়িছে।

(ঘ) কেতিয়াবা সৈতে শব্দ উহ্য থকাত কেৱল তৃতীয়া বিভক্তিৰে সেই অৰ্থ বুজায় আৰু কেতিয়াবা ৭মী যোগ হয়। যথা,

ভক্তিৰে প্ৰমাণ কৰিছে (ভক্তিৰে সৈতে প্ৰমাণ কৰিছে)। হেঁপাহেৰে কামটো কৰিছে। (হেঁপাহৰ সৈতে)। সুখেৰে বা সুখত জীৱন কটালে। দুখেৰে বা দুখত জীৱন গ'ল। ইত্যাদি।

---

প্ৰাচীন অসমীয়াত— কেৰ এ, এৰে তৃতীয়া বিভক্তি হিচাপে দেখা যায়। যথা, হেন শিশুপাল— কেৰে মই দিবো বিয়া (শংকৰদেৱ)

জমাই— এৰে (জোঁৱাই সৈতে)

তুমি— এৰে (তোমাৰ সৈতে) কৃষ্ণ— এৰে, কৃষ্ণ— এৰে (কৃষ্ণৰ সৈতে)

আধুনিক অসমীয়াত হাতেৰে, মুখেৰে, ইত্যাদি।

সম্ভৱত কৃ ধাতুৰপৰা কেৰ উদ্ভৱ হৈছে। জিপ্‌চি, ৰাজস্থানী আদি ভাষাত ষষ্ঠীৰ চিন ৰূপে 'কেৰ' ব্যৱহাৰ হয়।

## চতুৰ্থী বিভক্তি
### (লৈ)

১৬ ঃ ২৫ (১) নিমিত্তে, দিশ, লক্ষ্য, উদ্দেশ্য অৰ্থ প্ৰকাশ কৰিবলৈ প্ৰাচীন অসমীয়াত ক যোগ কৰি লাগ্ ধাতুৰ অসমাপিকা ক্ৰিয়াক অনুসৰ্গ ৰূপে ব্যৱহাৰ কৰা হয়। লাগ + ই = লাগি। যথা,

যাতনাক লাগি, কৃষ্ণৰ পাশক লাগি। কিন্তু প্ৰাচীন অসমীয়াত ক যোগ হ'লেও আধুনিক অসমীয়াত ক লোপ পায়। যথা,

ঘৰলৈ, স্কুললৈ, বজাৰলৈ, মোলৈ ভাবিব নালাগে। ৰামলৈ ভাত ৰান্ধিবা।

(২) আহ্, যা, চা, পাহৰ, আদি ধাতুৰ লগত ৪ৰ্থী বিভক্তি হয়। যেনে, স্কুললৈ আহিল। ঘৰলৈ যা। মোৰ মুখলৈ চা। মোলৈ নাপাহৰিবাঁ ইত্যাদি।

(৩) ভৱিষ্যত কালত ক্ৰিয়া সম্পন্ন হোৱা বুজাবলৈ কালবাচক শব্দত ৪ৰ্থী বিভক্তি হয়। যথা,

কাইলৈ বা কালিলৈ বনভোজ খাবলৈ যাম।

ৰাতিলৈ এই বিষয়ে চিন্তা কৰিবা। ইত্যাদি।

(৪) ব্যঞ্জনান্ত শব্দৰ পিছত 'অলৈ' আৰু স্বৰান্ত শব্দৰ পিছত 'লৈ' যোগ হয়। যেনে,

শৰৎ + অলৈ = শৰতলৈ, মো + লৈ = মোলৈ ইত্যাদি।

## পঞ্চমী বিভক্তি
### (ৰ, পৰা)

১৬ ঃ ২৬ (১) অপাদান কাৰকত পঞ্চমী বিভক্তি হয়। অপভ্ৰংশ স্তৰত কৰণ, অপাদান আৰু সম্বন্ধ এক ৰূপত প্ৰকাশ পোৱাৰ দৰে অসমীয়াতো সম্বন্ধ পদৰ ৬ষ্ঠী বিভক্তিকেই অপাদান কাৰকত ব্যৱহাৰ কৰা হয়। কিন্তু পাৰ্থক্য বিচাৰি পাবলৈ 'পৰা' অনুসৰ্গ ষষ্ঠী বিভক্তিযুক্ত নাম শব্দৰ পিছত ব্যৱহাৰ হয়। অকল ষষ্ঠী বিভক্তিৰে পুৰণি অসমীয়াত অপাদান বুজায়। যথা,

"কৃতকৃত্য হয়া পাছে দোলৰ বজাইব (দৌলৰ বাজ বা বাহিৰ হ'ব।) গৈল গৃহৰ বজাই।" দেউতাৰপৰা কিবা খবৰ পাইছানে?

ক'ৰপৰা আহিলা? ঘৰৰপৰা স্কুল কিমান দূৰ?

(২) ব্যাপ্তি, স্খলন, অপসৰণ, উৎপন্ন, শুনা, মুক্তি, লজ্জিত, আৰম্ভ আদি ভাব বুজালে অপাদান হয়। যথা,

ঘৰৰপৰা স্কুললৈ কিমান দূৰ? গছৰপৰা গুটি সৰে। তিলৰপৰা তেল ওলায়। মৃত্যুৰপৰা ৰক্ষা পাম জানো? শিক্ষকৰপৰা শুনিলোঁ। পহিলা তাৰিখৰপৰা পৰীক্ষা হ'ব।

(৩) কালবাচক আৰু স্থানবাচক শব্দৰ অবধি (সীমা) বুজালে পঞ্চমী বিভক্তি যোগ হয়। যথা,

সৰু কালৰপৰা সি দুষ্ট। গুৱালকুছিৰপৰা গুৱাহাটী দহ মাইল দূৰ। ১৯৭৩ চনৰ মাৰ্চ মাহত ছিলঙৰপৰা দিছপুৰলৈ অসমৰ ৰাজধানী নামে।

(৪) হেতু বা কাৰণ বুজালেও কেতিয়াবা পঞ্চমী বিভক্তি হয়। যথা,

পাপৰপৰা মানসিক অশান্তি জন্মে। লোভৰপৰা বিপদৰ ভয় হয়।

## ষষ্ঠী বিভক্তি

### (ৰ)

১৬ ঃ ২৭ (ক) নাম শব্দ বা সংজ্ঞা শব্দবোৰৰ মাজত সম্বন্ধ বুজাবলৈ ষষ্ঠী বিভক্তি ব্যৱহাৰ কৰা হয়। সাধাৰণতে এটা নাম শব্দৰ লগত আন এটিৰ সম্বন্ধ, স্বত্ব, অধিকাৰ আদি বুজালে ষষ্ঠী বিভক্তি আগৰ নাম শব্দত ব্যৱহাৰ কৰা হয়।

গৰুৰ গাখীৰ, 'গাখীৰ' নাম শব্দ 'গৰু' নাম শব্দৰ লগত সম্বন্ধ আছে। সেইবাবে 'গৰু' শব্দত ষষ্ঠী বহিছে। মাকৰ সম্পত্তি। ইয়াত সম্পত্তিৰ স্বত্বধাৰী মাক বাবে ষষ্ঠী বিভক্তি যোগ হৈ 'মাকৰ' হৈছে। তেনেকৈ গোলাপৰ ৰং, পদুমৰ গোন্ধ, মুখ্যমন্ত্ৰীৰ বিবৃতি, ভাষা আন্দোলনৰ শ্বহীদ। ইত্যাদি।

(খ) ব্যঞ্জনান্ত শব্দত 'অৰ' আৰু স্বৰান্ত শব্দত 'ৰ' ব্যৱহাৰ হয়। যথা, শৰৎ + অৰ = শৰতৰ, নদী + ৰ = নদীৰ।

(গ) বাবে, কাৰণে, হেতু, নিমিত্তে, অৰ্থে আদি নিমিত্তাৰ্থক অব্যয়ৰ যোগত নাম শব্দত ষষ্ঠী বিভক্তি হয়। যথা,

তাৰ বাবে, বীণাৰ কাৰণে। শিক্ষকৰ নিমিত্তে। অধ্যৱসায় জ্ঞান লাভৰ হেতু। আনৰ কাৰণে জীৱন দিম।

(ঘ) ভাববাচ্যৰ বাক্যত কৰ্তাকাৰকত ষষ্ঠী বিভক্তি হয়। যথা, সি মৰিল (কৰ্তৃ বাচ্য)। তাৰ মৃত্যু হ'ল (ভাব বাচ্য)। মই যাম (কৰ্তৃ বাচ্য)। মোৰ যোৱা হ'ব (ভাব বাচ্য)।

(ঙ) সৈতে, সহিতে, লগত, লগতে, লগে লগে, ওপৰত, উপৰি, ওচৰত, প্ৰতি আদি শব্দৰ লগত নাম শব্দৰ পিছত ষষ্ঠী বিভক্তি হয়। যথা,

মাধৱীৰ সৈতে টেবুলপি গৈছে। আহমদৰ ওপৰত সকলো দায়িত্ব পৰিছে। অনিল-মোজাম্মিলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাওঁ। কাছাৰত খিলঞ্জীয়া ৰাইজৰ ওচৰত কাতৰ মিনতি জনাওঁ। অনিলৰ মৃত্যুত অসমবাসীৰ লগে লগে বহিৰাগতেও শোক কৰিছিল।

(চ) বাদে, বাজে, বাহিৰে শব্দৰ লগত নাম শব্দত ৭মী বিভক্তিৰ ঠাইত বিকল্পে ষষ্ঠী বিভক্তি হয়। যথা,

বিমলা পাটৰৰ বাহিৰে (বাদে) বা বিমলা পাটৰত বাহিৰে (বাদে)। মুখ্যমন্ত্ৰী জনাৰ বাহিৰে বা বাদে (বাজে) বা মুখ্যমন্ত্ৰী জনাত বাহিৰে বা বাদে (বাজে) ইত্যাদি।

(ছ) দৰে, নিচিনা, সদৃশ, তুল্য, সম আদি তুল্যাৰ্থক বা তুলনা বুজোৱা শব্দৰ যোগত ষষ্ঠী বিভক্তি হয়। যথা,

শৰতৰ দৰে আঁকোৰগোজ আন কোনো নাই। হৰ্কেনৰ দৰে (নিচিনা, তুল্য) বুধিয়ক লোক নাই। আমাৰ মুখ্যমন্ত্ৰী সঁচাকৈ সিংহৰ সদৃশ। অসমীয়া জাতিৰ দৰে আপোন-ভোলা জাতি পৃথিৱীত নাই।

(জ) কিছুমান কৃৎ প্ৰত্যয়ৰ যোগত কৰ্তা আৰু কৰ্মত ষষ্ঠী বিভক্তি হয়। যথা, ৰামৰ ভোজন। তাৰ মত। দেৱতাৰ পূজা ইত্যাদি।

(ঝ) বিষয়ে, প্ৰসংগত, আগত, আগেয়ে, পিছত, পাছত, মূৰত, মাজত, মাজে, মাজেৰে, মাজেদি, ভিতৰত, ভিতৰতে আদি শব্দৰ যোগত ষষ্ঠী বিভক্তি হয়। যথা, শিক্ষাৰ বিষয়ে। মাধ্যমৰ প্ৰসংগত মই একো নকওঁ। আন্দোলনৰ আগত (আগেয়ে), পিছত (পাছত), মাজতে (মাজত)। তাৰ মাজেদি। (মাজেৰে)।

(ঞ) নিৰ্ধাৰণ অৰ্থত ভিতৰত, ভিতৰতে, মাজত আদি শব্দ যোগত ষষ্ঠী বিভক্তি হয়। যথা,

পশুৰ ভিতৰত শিয়াল ধূৰ্ত। অসমীয়াৰ ভিতৰত ৰাজবংশী বলী। ভাৰতীয়ৰ ভিতৰত অসমীয়াসকল অতিথিপৰায়ণ।

(ট) দ্বাৰা, দ্বাৰাই, হতুৱাই, হাতেৰে, হাতেদি আদি শব্দ যোগত কৰণ অৰ্থত ষষ্ঠী বিভক্তি হয়। যথা,

তাৰাদ্বাৰা (দ্বাৰাই), হতুৱাই।

কাৰ হাতেৰে? কাৰ হতুৱাই? ইত্যাদি।

## সপ্তমী বিভক্তি

### (ত, এ পদ্যত)

১৬ ঃ ১৮ (ক) অধিকৰণ কাৰকত সপ্তমী বিভক্তি হয়। যথা, স্কুলত কোনো নাই। ঘৰত খাবলৈ নাই। পানীত মাছ থাকে।

(খ) প্ৰাচীন কালৰেপৰা অসমীয়া ভাষাত সপ্তমীৰ চিন ৰূপে 'ত' ব্যৱহাৰ হৈ আহিছে। ডঃ কাকতিৰ মতে সংস্কৃত ত্ৰ প্ৰা, ত্ত অস, ত হৈছে। ব্যঞ্জনান্ত শব্দৰ পিছত অত আৰু স্বৰান্ত শব্দৰ পিছত ত যোগ হয়।

(গ) তুলনা বুজাবলৈ সপ্তমী ব্যৱহাৰ হয়। ত বিভক্তিৰ পিছত কৰি বা কৈ অনুসৰ্গ যোগ কৰা হয়। যথা,

বীণাতকৈ (বা বীণাত কৰি) বীণা ভাল। কোবাতকৈ (কৰি) লিখা ভাল। ক্ষণে ক্ষণে স্বাদত কৰি স্বাদ। (ভট্টদেৱং কথাভাগৱত)।

(ঘ) বিনা আৰু বিনে শব্দৰ যোগত সপ্তমী হয়। বিনা শব্দ সাধাৰণতে আগত বহে আৰু বিনে শব্দ পিছত বহে। যথা,

---

* ষষ্ঠী বিভক্তি অসমীয়া ভাষাত বহুল ব্যৱহাৰ হোৱা বিভক্তি। সংস্কৃত কৃ ধাতুৰপৰা অহা কৰ, কাৰ, কেৰ, কৃত শব্দৰপৰা ষষ্ঠী বিভক্তি চিন উদ্ভৱ হৈছে। সংস্কৃত কৃত শব্দৰপৰা উদ্ভৱ হোৱা ক, কু, কো, কা ষষ্ঠী বিভক্তিৰ চিন পুৰণি অসমীয়াত বা ব্ৰজাবলী ভাষাত ব্যৱহাৰ হৈছিল। আধুনিক অসমীয়াত কৰ শব্দৰপৰা ওলোৱা 'অৰ' বা 'ৰ' ব্যৱহাৰ হয়।

DAILY ASSAM


বিনা কাৰণত শাস্তি পালোঁ। বিনা দোষত জেল খালোঁ। তোমাত বিনে। ঈশ্বৰত বিনে গতি নাই।

(ঙ) বাহিৰে বা বাদে, বাজে শব্দৰ যোগত নাম শব্দৰ পিছত ষষ্ঠী বা সপ্তমী বিভক্তি যোগ হয়। যথা,

সিংহৰ বাহিৰে বাদে বা বাজে। তাত বাহিৰে বা তাত বাদে (বাজে) সকলো আহিল।

(চ) নিমিত্তাৰ্থত বা হেতু অৰ্থত সপ্তমী হয়। যথা,

সি বেজাৰত ম্ৰিয়মান। অৰ্থাৎ বেজাৰ হেতু বা বেজাৰৰ নিমিত্তে। চামচুলে আনন্দত নাচিছে অৰ্থাৎ আনন্দ হেতু। তেনেকৈ বাতি চোৰৰ ভয়ত টোপনি নাই। সীতাৰ অন্বেষণত ৰাম-লক্ষ্মণ লংকা পালেগৈ।

(ছ) অসমাপিকা ক্ৰিয়া লোপ পালে ৭মী বিভক্তি হয়। যথা,

মঞ্জুমালাৰ কথাত (কথা শুনি) সকলো স্তম্ভিত। ছাত্ৰ-ছাত্ৰীৰ আচৰণত (আচৰণ পাই বা দেখি) শিক্ষকসকল সন্তুষ্ট হ'ব পৰা নাই। সিহঁত গাড়ীত (উঠি) গ'ল। জাহাজত (জাহাজত উঠি) যাবলৈ আৰামদায়ক।

(জ) কৰ্ম বাচ্যত কেতিয়াবা কৰ্তা কাৰকত সপ্তমী বিভক্তি হয়। যথা,

বানপানীত গাঁওখন ডুব গ'ল (কৰ্ম বাচ্য)। বানপানীয়ে গাঁওখন ডুবালে (কৰ্তৃ বাচ্য)। জুইত ঘৰটি পোৰা গ'ল (কৰ্ম বাচ্য)। জুইয়ে ঘৰটি পুৰিলে (কৰ্তৃ বাচ্য)।

(ঝ) পৰ্, ধৰ্, কোৱা আদি ধাতুৰ ক্ৰিয়াযোগত নামশব্দৰ পিছত সপ্তমী হয়। যথা,

মাটিত পৰিল। মোৰ হাতত ধৰিলে। পুলিচৰ হাতত ধৰা পৰিল। সি তাক পিঠিত কোবালে। ইত্যাদি।

(ঞ) পণ্ডিত, পাকৈত, কুশল, নিপুণ, পাৰ্গত, প্ৰবীণ, বিদ্বান আদি শব্দৰ যোগত প্ৰায়ে সপ্তমী বিভক্তি যোগ হয়। যথা,

ৰণত পাকৈত, তৰ্কত পণ্ডিত, ৰণত কুশল, সাহিত্য-ব্যাকৰণত বিদ্বান। যুদ্ধত পাৰ্গত (নিপুণ), কাঁজিয়াত ওস্তাদ। ইত্যাদি।

(ট) এই ক্ৰিয়াৰ কালৰদ্বাৰা আন ক্ৰিয়াৰ কাল নিৰূপণ কৰা হ'লে সপ্তমী বিভক্তি হয়। যথা,

সূৰ্য ডুব যোৱাত (বা গ'লত) আমি ফুৰিবলৈ ওলালোঁ। বেলত দুটাকৈ কোব পৰাত স্কুলৰপৰা সকলো ছাত্ৰ-ছাত্ৰী ওলাই আহিল।

(ঠ) পুৰণি অসমীয়াত সপ্তমী বিভক্তিযুক্ত নামশব্দৰ পিছত 'হন্তে' ব্যৱহাৰ কৰি অপাদান কাৰকৰ অৰ্থৰ প্ৰকাশ কৰে। যথা,

যাত হন্তে (অৰ্থাৎ য'ৰপৰা বা যাৰপৰা)

(ড) সংস্কৃত ভাষাৰ সপ্তমী বিভক্তিৰ চিন এ পুৰণি অসমীয়াত আধুনিক অসমীয়াৰ পদ্যত বা দুই এঠাইত ব্যৱহাৰ দেখা যায়। যথা,

বনে বনে ঘূৰি ফুৰে, গাঁৱে গাঁৱে খবৰ দিছে।